পৰিৱৰ্তনৰ দ্বাৰা উৎপাদনৰ কোনো পৰিৱৰ্তন নোহোৱাকৈ ৰাষ্ট্ৰীয় আয়ৰ পৰিৱৰ্তন হ'ব পাৰে। এনে কাৰণত স্থিৰ মূল্যত ৰাষ্ট্ৰীয় আয় নিৰ্ণয় কৰি দেশ এখনৰ প্ৰকৃত ৰাষ্ট্ৰীয় আয় নিৰ্ণয় কৰি দেশ এখনৰ প্ৰকৃত ৰাষ্ট্ৰীয় আয় নিৰ্ণয়ৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে।

৮) মুঠ ৰাষ্ট্ৰীয় আয়ৰ পৰা নিগুট ৰাষ্ট্ৰীয় আয় নিৰূপণৰ বাবে মূলধনৰ যি ক্ষয়-ক্ষতিৰ ব্যয় বাদ দিয়া হয় সেই ক্ষয়-ক্ষতিৰ ব্যয় নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰতো সমস্যাৰ সৃষ্টি হয়।

৯) ৰাষ্ট্ৰীয় আয়ৰ হিচাপত যেতিয়া নিগুট উপাদান আয়ৰ হিচাপ অন্তৰ্ভুক্ত কৰা হয় তেতিয়া ই ৰাষ্ট্ৰৰ সংজ্ঞাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰে। কাৰণ ৰাষ্ট্ৰীয় আয়ৰ হিচাপত বিদেশৰ পৰা হোৱা উপাৰ্জনো অন্তৰ্ভুক্ত কৰা হয়।

এনেবিলাক অসুবিধাৰ উপৰিও ৰাষ্ট্ৰীয় আয় নিৰূপণৰ অসংগঠিত মুদ্ৰা ব্যৱস্থা, বাণিজ্য চক্ৰৰ উত্থান-পতন, দৰস্তৰৰ হ্ৰাস-বৃদ্ধি, দ্বৈত গণনাৰ অসুবিধা আদি কাৰকৰ বাবেও ৰাষ্ট্ৰীয় আয় গণনাত অসুবিধাৰ সৃষ্টি কৰিছে।

**ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহ (Circular flow of National Income) ঃ**

ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহে অৰ্থনীতিখনৰ বিভিন্ন খণ্ডৰ মাজত আয় অথবা দ্ৰব্য বা সামগ্ৰী, সেৱাৰ প্ৰৱাহকে বুজায়। এই প্ৰৱাহ চক্ৰাকাৰ গতিৰে অহৰহ প্ৰৱাহিত হৈ থাকে। ৰাষ্ট্ৰীয় উৎপাদন বা আয়ৰ চক্ৰীয় প্ৰৱাহৰ প্ৰক্ৰিয়াটো পণ্য বিনিময় প্ৰথাৰ অৰ্থনৈতিক ব্যৱস্থাত এটা সহজ পদ্ধতিৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। কিন্তু ই বাস্তৱসন্মত নহ'ব। যিহেতু বাস্তৱ অৰ্থনীতি ব্যৱস্থা হৈছে মুদ্ৰাভিত্তিক ব্যৱস্থা। অৰ্থাৎ মুদ্ৰাৰ মাধ্যমতহে উৎপাদন আৰু উপভোগৰ দৰে সকলো আৰ্থিক কাম-কাজ সমাধা হয়।

তলত বিভিন্ন খণ্ডযুক্ত অৰ্থনীতিত ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহৰ বিষয়ে আলোচনা কৰা হ'ল—

**দ্বিখণ্ডযুক্ত অৰ্থনীতিত ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহ (Circular flow of Income in a two sector economy) ঃ**

দ্বিখণ্ডযুক্ত অৰ্থনীতিৰ ঘৰুৱা খণ্ড (Household Sector) আৰু ব্যৱসায়িক খণ্ড (Business Sector) এই দুটা খণ্ড থাকে। ভূমি, শ্ৰম, মূলধন আৰু সংগঠক হৈছে (উৎপাদনৰ উপাদান) ঘৰুৱা খণ্ড। কিয়নো তেওঁলোক হৈছে উৎপাদনৰ গৰাকী। এই উৎপাদনৰ উপাদানসমূহৰ সেৱা ব্যৱসায়িক খণ্ডক বিক্ৰী কৰি তেওঁলোকে খাজনা, মজুৰি, সুদ আৰু লাভ অৰ্জন কৰে। আনহাতে ব্যৱসায়িক খণ্ডসমূহে বিভিন্ন দ্ৰব্য সামগ্ৰী উৎপাদন কৰি উৎপাদিত দ্ৰব্যসমূহ ঘৰুৱা খণ্ডক বিক্ৰী কৰে। অৰ্থাৎ ঘৰুৱা খণ্ড হৈছে ব্যৱসায়িক খণ্ডৰ ক্ৰেতা বা কিনোতা। উৎপাদন প্ৰতিষ্ঠান বা ব্যৱসায়িক খণ্ডই এইদৰে আয় অৰ্জন কৰে। এই আয় পুনৰ তেওঁলোকে দ্ৰব্য উৎপাদন কৰাৰ বাবে উৎপাদনৰ উপাদানসমূহক ক্ৰয় কৰে আৰু উৎপাদনৰ বিনিময়ত ব্যৱসায়িক প্ৰতিষ্ঠানে তেওঁলোকক পাৰিশ্ৰমিক প্ৰদান কৰে। এইদৰে ঘৰুৱা খণ্ডৰ পৰা ব্যৱসায়িক খণ্ডলৈ আয় চক্ৰাকাৰ গতিৰে অহৰহভাৱে প্ৰৱাহিত হৈ থাকে। দ্বিখণ্ডযুক্ত আয়ৰ চক্ৰাকাৰ গতিৰ ক্ষেত্ৰত কিছুমান অভিধাৰণা ধৰি লোৱা হয়।



Scanned with CamScanner


১) ইয়াত ঘৰুৱা খণ্ডৰ অৰ্থাৎ পৰিয়ালৰ কোনো সঞ্চয় নাই বুলি ধৰি লোৱা হয়। অৰ্থাৎ যিখিনি আয় অৰ্জন কৰে, গোটেইখিনি উপভোগত ব্যয় কৰে।

২) দ্বিখণ্ডযুক্ত অৰ্থনীতিত চৰকাৰক কোনো কৰ দিব নালাগে বুলি ধৰি লোৱা হয়।

৩) দ্বিখণ্ডযুক্ত অৰ্থনীতিত বৈদেশিক বাণিজ্যৰ কোনো প্ৰভাৱ নাথাকে। কিয়নো এই অৰ্থনীতিত কোনো আমদানিকৃত দ্ৰব্য কিনিব নালাগে।

**চিত্ৰৰ দ্বাৰা ব্যাখ্যা ঃ** দ্বিখণ্ডযুক্ত আয়ৰ চক্ৰীয় প্ৰৱাহক এটা চিত্ৰৰ সহায়ত তলত দেখুওৱা হ'ল—

চিত্ৰৰ ওপৰৰ অংশত উৎপাদনৰ বজাৰ আৰু তলৰ অংশত উপাদানৰ বজাৰ দেখুওৱা হৈছে। উৎপাদনৰ বজাৰত, ঘৰুৱা খণ্ডই ব্যৱসায় খণ্ডৰ পৰা দ্ৰব্য সামগ্ৰী ক্ৰয় কৰে আৰু উপাদানৰ বজাৰত ঘৰুৱা খণ্ডই ব্যৱসায়িক খণ্ডৰ পৰা মজুৰি, খাজনা, সুদ আৰু লাভ হিচাপে পাৰিশ্ৰমিক অৰ্জন কৰে। কিয়নো ঘৰুৱা খণ্ডৰ সহায়ত ব্যৱসায়িক খণ্ডই বিভিন্ন দ্ৰব্য সামগ্ৰী উৎপাদন কৰে।




দ্বিখণ্ডযুক্ত আয় চক্ৰীয় প্ৰৱাহ

ঘৰুৱা খণ্ডই সেই অৰ্জিত আয় পুনৰ তেওঁলোকৰ উপভোগৰ বাবে ব্যৱসায়িক খণ্ডৰ পৰা উৎপাদিত দ্ৰব্য ক্ৰয় কৰে আৰু সেই আয় পুনৰ ব্যৱসায়িক খণ্ডলৈ ঘূৰি যায়। গতিকে ৰাষ্ট্ৰীয় আয় চক্ৰাকাৰ গতিৰে ব্যৱসায় আৰু ঘৰুৱা খণ্ডৰ মাজত প্ৰৱাহিত হৈ থাকে। চিত্ৰত উৎপাদনৰ বজাৰত ব্যৱসায় খণ্ডৰ পৰা ঘৰুৱা খণ্ডলৈ দ্ৰব্য সামগ্ৰী প্ৰবাহিত হৈছে আৰু ঘৰুৱা খণ্ডৰ পৰা ব্যৱসায়িক খণ্ডলৈ তেওঁলোকৰ সেৱা প্ৰৱাহিত হৈছে। আনহাতে উপাদানৰ বজাৰত ব্যৱসায় খণ্ডৰ পৰা আয় ঘৰুৱা খণ্ডলৈ প্ৰৱাহিত হৈছে।

এইদৰে বছৰ বছৰ ধৰি সৰল অৰ্থনীতি এখনৰ মুঠ আয় উৎপাদন প্ৰতিষ্ঠানসমূহ আৰু পৰিয়ালসমূহে এই দুটা খণ্ডৰ মাজেৰে চক্ৰীয়ভাৱে প্ৰৱাহিত হৈ থাকে।

অৱশ্যে অৰ্থনীতি এখনত আয় আৰু ব্যয়ৰ গতি ইমান সৰল প্ৰক্ৰিয়া নহয়। আয় আৰু ব্যয়ৰ প্ৰৱাহত ছিদ্ৰ (leakage) আৰু অন্তঃপ্ৰৱাহ (Inflow) থাকে। ছিদ্ৰ হিচাপে আমি সঞ্চয়ক আৰু অন্তঃপ্ৰৱাহ হিচাপে বিনিয়োগক অভিহিত কৰিব পাৰোঁ। ৰাষ্ট্ৰীয় আয়ৰ এটা অংশ সঞ্চয়ৰ যোগেদি প্ৰৱাহৰ পৰা আঁতৰি যায় আৰু বিনিয়োগৰ



Scanned with CamScanner

যোগেদি পুনৰ প্ৰৱাহত মিলিত হয়। গতিকে সঞ্চয় আৰু বিনিয়োগৰ উপস্থিতিয়ে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰাকাৰ গতিৰ পৰিৱৰ্তন সাধন কৰে।

**আয়ৰ চক্ৰীয় প্ৰৱাহ**— চাৰিটা খণ্ডৰ অৰ্থনীতি **(Circular Flow of Income– Four Sector Economy) :** চাৰিটা খণ্ডৰ অৰ্থনীতি হৈছে মুক্ত অৰ্থনীতিৰ দ্বাৰা পৰিচালিত অৰ্থনীতি। এই অৰ্থনীতিত বৈদেশিক বাণিজ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। যিহেতু বন্ধ অৰ্থনীতিত ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহে অৰ্থনীতিৰ প্ৰকৃত অৰ্থনৈতিক কাৰ্যকলাপসমূহ স্পষ্টকৈ দেখুৱাব নোৱাৰে সেয়েহে মুক্ত অৰ্থনীতিৰ অন্তৰ্ভুক্ত চাৰিটা খণ্ডযুক্ত অৰ্থনীতিয়ে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহক স্পষ্টকৈ ব্যাখ্যা কৰিছে।

চাৰিটা খণ্ডযুক্ত ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহৰ খণ্ডকেইটা হ'ল—

১। ঘৰুৱা খণ্ড

২। ব্যৱসায় খণ্ড

৩। চৰকাৰী খণ্ড

৪। বৈদেশিক খণ্ড

**১। ঘৰুৱা খণ্ড :** চাৰিটা খণ্ডযুক্ত অৰ্থনীতিৰ ঘৰুৱা খণ্ডটো হৈছে এটা প্ৰধান খণ্ড। ঘৰুৱা খণ্ডই বিদেশৰ পৰা দ্ৰব্য আমদানি কৰি তাৰ মূল্য পৰিশোধ কৰে। ঠিক তেনেদৰে বিদেশত নিজৰ সেৱা আগবঢ়োৱাৰ বাবে হস্তান্তৰ পৰিশোধও লাভ কৰে।

**২। ব্যৱসায় খণ্ড :** ব্যৱসায় খণ্ডই দেশত উৎপাদিত দ্ৰব্য সামগ্ৰী আৰু সেৱা ৰপ্তানি কৰে আৰু তাৰ মূল্য লাভ কৰে। তদুপৰি বিদেশলৈ বীমা, বেংকিং আদি সেৱা আগবঢ়াই আয় লাভ কৰে। ব্যৱসায় খণ্ডই বিদেশত বিনিয়োগও কৰে, যাৰ বাবে এই খণ্ডই ৰয়েল্টি, সুদ, লভ্যাংশ আৰু মুনাফা লাভ কৰে। ঠিক সেইদৰে বিদেশৰ পৰা প্ৰয়োজনীয় যন্ত্ৰপাতি, মূলধনী দ্ৰব্য, কেঁচামাল, উপভোগ্য দ্ৰব্য আমদানি কৰাৰ বাবে বিদেশী ৰাষ্ট্ৰক মূল্য পৰিশোধ কৰিব লাগে। অৰ্থাৎ আয়ৰ চক্ৰবৎ প্ৰৱাহ নিৰ্গমন হয়।

**৩। চৰকাৰী খণ্ড :** ব্যৱসায় খণ্ডৰ নিচিনাকৈ চৰকাৰী খণ্ডই দ্ৰব্য সামগ্ৰী আৰু সেৱা আমদানি-ৰপ্তানি কৰে। চৰকাৰে কেতিয়াবা বিদেশী অৰ্থনীতিক ঋণ প্ৰদান কৰিব পাৰে আৰু তাৰ পৰা সুদ হিচাপে আয় লাভ কৰে। দেশত উৎপাদন হোৱা দ্ৰব্য-সামগ্ৰী আৰু সেৱা বিদেশলৈ ৰপ্তানি কৰিও চৰকাৰে বৈদেশিক ৰপ্তানি কৰিও চৰকাৰে বৈদেশিক মুদ্ৰাৰ আকাৰত আয় লাভ কৰে। তদুপৰি চৰকাৰে বিদেশী পৰ্যটকৰ পৰাও আয় লাভ কৰে। চৰকাৰে বিদেশলৈ বিভিন্ন সেৱা আগবঢ়াই যেনে— চৰকাৰী এজেন্সিৰ দ্বাৰা বীমা, বেংকিং আদিৰ জৰিয়তে আয় লাভ কৰে। এইবিলাক হৈছে আয়ৰ চক্ৰবৎ প্ৰৱাহৰ সংযোজন। আনহাতে, চৰকাৰে বিভিন্ন পৰিস্থিতি সাপেক্ষে যেনে— অৰ্থনৈতিক অস্থিৰতা, জৰুৰীকালীন অৱস্থাৰ বাবে কেতিয়াবা বিদেশৰ পৰা ঋণ ল'ব লগাত পৰে। তাৰ বাবে চৰকাৰে বিদেশী সুদ আকাৰত ঋণ পৰিশোধ কৰিব লাগে। তদুপৰি চৰকাৰে বিদেশৰ পৰা ক্ৰয় কৰা বিভিন্ন দ্ৰব্য আৰু সেৱাৰ বাবে আয় পৰিশোধ কৰিব লাগে। এয়া হৈছে আয়ৰ চক্ৰবৎ প্ৰৱাহৰ নিৰ্গমন প্ৰক্ৰিয়া।

**৪। বৈদেশিক খণ্ড :** বৈদেশিক বাণিজ্যৰ লগত আমদানি আৰু ৰপ্তানি ওতপ্ৰোতভাৱে জড়িত। দেশত ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পালে আয়ৰ চক্ৰবৎ প্ৰৱাহত সংযোজন হয় আৰু আমদানিৰ পৰিমাণ বৃদ্ধি পালে আয়ৰ চক্ৰবৎ প্ৰৱাহত নিৰ্গমন বা ছিদ্ৰৰ সৃষ্টি হয়।


বৈদেশিক খণ্ডৰ যোগেদি অন্তঃপ্ৰৱাহ আৰু বহিঃপ্ৰৱাহ সংঘটিত হয়। ইয়াক পৰিশোধৰ সমতাখণ্ড বুলি কোৱা হয়। পৰিশোধৰ সমতাৰ কেতিয়াবা ঘাটি আৰু কেতিয়াবা ৰাহিৰ সৃষ্টি হ'ব পাৰে। যেতিয়া ৰপ্তানিতকৈ আমদানিৰ পৰিমাণ বেছি হয় তেতিয়া পৰিশোধৰ সমতাত ঘাটিৰ সৃষ্টি হয় আৰু যেতিয়া ৰপ্তানিতকৈ আমদানিৰ পৰিমাণ কম



Scanned with CamScanner

হয় তেতিয়া পৰিশোধৰ সমতাত ৰাহিৰ সৃষ্টি হয়। কিন্তু দীৰ্ঘকালীন অৱস্থাত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন বাণিজ্য নীতিৰ জৰিয়তে ৰপ্তানি আৰু আমদানিৰ মাজত সমতা স্থাপন হয়।

এটা চিত্ৰৰ সহায়ত উপৰোক্ত ব্যাখ্যাসমূহ দেখুওৱা হ'ল—




চাৰিটা খণ্ডযুক্ত আয়ৰ চক্ৰবৎ প্ৰৱাহ

ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহক সমীকৰণৰ সহায়ত দেখুৱাব পাৰি।

সমীকৰণটো হ'ল—

$$Y = C + I + G \text{ ——————— (i)}$$

য'ত, Y = মুঠ উৎপাদিত সামগ্ৰী আৰু সেৱা



Scanned with CamScanner

C = উপভোগৰ পৰিমাণ

I = বিনিয়োগৰ পৰিমাণ

G = চৰকাৰে কৰা ব্যয়ৰ পৰিমাণ

চৰকাৰে আয় আৰু ব্যয়ৰ মাজত সমতা স্থাপন কৰাৰ উদ্দেশ্যে কৰক অন্তৰ্ভুক্ত কৰিছে আৰু তেতিয়া সমীকৰণটো হ'ল—

$$Y = C + S + T \text{ ———— (ii)}$$

য'ত,

Y = মুঠ উৎপাদিত সামগ্ৰী আৰু সেৱা

C = উপভোগৰ পৰিমাণ

S = সঞ্চয়ৰ পৰিমাণ

T = কৰৰ হাৰ

এতিয়া, সমীকৰণ (i) আৰু (ii)ৰ পৰা পাওঁ

$$Y = C + I + G = C + S + T$$

$$\Rightarrow \quad I + G = S + T$$

সমীকৰণটোত বৈদেশিক বিনিয়োগৰ অন্তৰ্ভুক্ত কৰিলে— ঘৰুৱা বিনিয়োগ (Id) আৰু বৈদেশিক বিনিয়োগ (If)ৰ দ্বাৰা দেখুওৱা হৈছে। তেতিয়া সমীকৰণটো হ'ব—

$$Id + If + G = S + T$$

কিন্তু $If = X - M$

য'ত,

X = ৰপ্তানি

M = আমদানি

$$\therefore \quad Id + (X - M) + G = S + T$$

$$\Rightarrow Id + (X - M) = S + T - G \text{ ———— (iii)}$$

সমীকৰণ (iii)য়ে ৰাষ্ট্ৰীয় আয়ৰ চক্ৰবৎ প্ৰৱাহৰ ভাৰসাম্য অৱস্থাটো দেখুৱাইছে—

**আয়ৰ চক্ৰৱৎ প্ৰৱাহৰ গুৰুত্ব (Importance of Circular Flow of Income) :** আয়ৰ চক্ৰৱৎ প্ৰৱাহ অৰ্থনীতি এখনৰ বাবে অতিকৈ প্ৰয়োজন। ৰাষ্ট্ৰীয় আয়ৰ চক্ৰৱৎ প্ৰৱাহৰ দ্বাৰা অৰ্থনীতিখনৰ স্পষ্ট ছবি পাব পাৰি। অৰ্থনীতি এখনে কি ধৰণে কাম কৰিব, অৰ্থনীতিখনে স্বাভাৱিক গতিত কাম কৰিব পাৰিছেনে নাই, ক'ৰবাত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে নেকি এনেধৰণৰ তথ্য আয়ৰ চক্ৰৱৎ প্ৰৱাহৰ পৰা জানিব পাৰি। তদুপৰি এই প্ৰৱাহৰ জৰিয়তে অৰ্থনীতিখনৰ ভাৰসাম্য অৱস্থাৰ মাত্ৰা জানিব পাৰি। অৰ্থনীতিখনত অভাৰসমতাৰ সৃষ্টি হ'লে কিদৰে চৰকাৰে ভাৰসাম্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তাকো এই প্ৰৱাহৰ জৰিয়তে জানিব পাৰি। আয়ৰ চক্ৰীয় প্ৰৱাহৰ জৰিয়তে আমি ৰাষ্ট্ৰীয় আয়ৰ ওপৰত বিভিন্ন কাৰকৰ ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱৰ কথাও বুজাত সহায়ক হ'ব পাৰে, দেশ এখনৰ উপভোগ, সঞ্চয়, বিনিয়োগ আদিৰ বিষয়ে তথ্য আহৰণ কৰিব পাৰি। দেশত সঞ্চয়ৰ প্ৰৱাহ ধনাত্মক ৰূপত হৈছেনে তাকো এই প্ৰৱাহৰ জৰিয়তে আহৰণ কৰিব পাৰি। মুঠ কথাত ৰাষ্ট্ৰীয় আয়ৰ চক্ৰৱৎ প্ৰৱাহৰ দ্বাৰা অৰ্থনীতি এখনৰ সামগ্ৰিক দিশসমূহ চালি-জাৰি চাব পাৰি। অৰ্থনীতিখনৰ প্ৰতিটো দিশৰ স্পষ্ট ছবি ৰাষ্ট্ৰীয় আয়ৰ চক্ৰৱৎ প্ৰৱাহৰ দ্বাৰা লাভ কৰিব পাৰি।



Scanned with CamScanner